জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৮৩/২০২২**

# ব্ৰহ্মপুত্ৰ কাৰ্ণিভেলৰ  শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম চৰকাৰৰ পৰ্যটন বিভাগ আৰু পৰ্যটন উন্নয়ন নিগমে গুৱাহাটীৰ ৰজাদুৱাৰ ঘাটৰ সমীপৰ বালিচৰত আয়োজন কৰা ব্ৰহ্মপুত্ৰ কাৰ্ণিভেলৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ মহত্ত্ব আৰু গুৰুত্বৰ লগতে ৰাজ্যৰ জনগোষ্ঠীয়  সংস্কৃতিৰ প্ৰতিফলন, জনগোষ্ঠীয় খাদ্য সম্ভাৰ আদি প্ৰদৰ্শনৰ জৰিয়তে পৰ্যটকক আকৰ্ষিত কৰাৰ উদ্দেশ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

ব্ৰহ্মপুত্ৰ কাৰ্ণিভেল পৰিদৰ্শন কৰি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰতি বছৰে বালিচৰ পৰে। অসম চৰকাৰৰ পৰ্যটন বিভাগ আৰু পৰ্যটন উন্নয়ন নিগমে এই মহোৎসৱৰ আয়োজন কৰি ক্ৰীড়াকে ধৰি বিভিন্ন খেল-ধেমালী, সংগীতানুষ্ঠান অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ কয় যে  প্ৰতি আধা ঘণ্টাৰ অন্তৰে অন্তৰে এই মহোৎসৱলৈ আহিব পৰাকৈ জাহাজৰো ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বালিচৰলৈ আহি ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰিবলৈও ৰাইজক আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে এই মহোৎসৱ উপলক্ষে স্থাপন কৰা বিভিন্ন বিপণীও পৰিদৰ্শন কৰে।

**হেঃশাঃ**
**১/১/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in